
(*আমাৰ ফালৰ পৰা*)

# কৰ্কটৰোগ মুক্ত বিশ্বঃ এটি আশাৰ সূচনা

অনুলেখা কাকতী

কেন্সাৰ- শুনিলেই বুকু কঁপি যোৱা এই ব্যাধিয়ে কিমান আপোনজনক আমাৰ মাজৰ পৰা কাঢ়ি নিলে, কতটা পৰিয়ালক নিঠৰুৱা কৰিলে হিচাপ নাই। বৰ্তমান সময়ত চিকিৎসা বিজ্ঞান বহুদূৰ আগুৱাই গৈছে যদিও কেন্সাৰৰ স্থায়ী সমাধান কিন্তু সম্ভৱ হোৱা নাছিল। কিন্তু সুখবৰ যে এই দুৰাৰোগ্য ব্যাধিৰ স্থায়ী চিকিৎসা হয়তো অনতিপলমে উপলব্ধ হোৱাৰ দিশত। বিশ্বই হয়তো অতি সোনকালেই এনে এক ভয়ংকৰ ৰোগৰ পৰা মুক্তি পাবলৈ সক্ষম হ' ব। প্ৰথমবাৰৰ বাবে আমেৰিকাৰ মানহাটানৰ মেম' ৰিয়েল স্ল' ন কেটাৰিং কেন্সাৰ চেণ্টাৰত ড্ৰাগ ট্ৰায়েলত ৰোগীৰ কৰ্কট ৰোগ ১০০% নিৰ্মূল হোৱা বুলি প্ৰমাণিত হৈছে। উক্ত প্ৰতিষ্ঠানটোৰ এটা পৰীক্ষণত ১৮ গৰাকী(দা হিন্দুৰ মতে) মলদ্বাৰৰ কৰ্কট ৰোগত ভুগি থকা ৰোগীয়ে



Dostarlimab(দস্তাৰলিমাব) নামৰ এবিধ ঔষধ ছমাহ ধৰি গ্ৰহণ কৰে আৰু ছমাহৰ অন্তত প্ৰতিজনৰে টিউমাৰ সম্পূৰ্ণৰূপে নোহোৱা হয়। কেৱল এয়াই নহয়, যিসকলে এই ঔষধবিধ গ্ৰহণ কৰিছিল তেওঁলোকৰ শাৰিৰীক পৰীক্ষা, এণ্ড' স্কপি, পজিট্ৰন ইমিছন ট' ম' গ্ৰাফী (PET) বা মেগনেটিক ৰেজোনেন্স ইমেজিঙৰ(MRI) পৰীক্ষা কৰি চিকিৎসক সকলে তেওঁলোকক কেন্সাৰ মুক্ত ঘোষণা কৰিছে। এই ফলাফলে সমগ্ৰ বিশ্বৰ কোটি কোটি লোকৰ বাবে আশাৰ সূচনা কৰিছে। নিউয়ৰ্ক টাইমছৰ মতে ট্ৰায়েলৰ সৈতে জড়িত ৰোগীসকলে তেওঁলোকৰ কৰ্কট ৰোগ নিৰ্মূল কৰিবলৈ কেমোথেৰাপি, ৰেডিয়েচন আৰু জটিল অস্ত্ৰোপচাৰ আদিৰ দ্বাৰাই চিকিৎসা আৰম্ভ কৰা হৈছিল।

এইচিকিৎসা পদ্ধতিসমূহৰ পাৰ্শ্বক্ৰিয়াৰ বিষয়ে হয়তো আপোনাসৰক দুনাই কোৰাৰ প্ৰয়োজন নাই। Dostarlimab (দস্তাৰলিমাব) ঔষধবিধ গ্ৰহণ কৰিলেও ৰোগীসকলে পৰৱৰ্তী পদক্ষেপ হিচাপে আগৰে পৰা প্ৰচলিত চিকিৎসা সমূহৰ পাৰ হ’ ব লাগিব বুলি আশা কৰি ১৮জন ৰোগীয়ে পৰীক্ষাটোত অংশ লয়। কিন্তু তেওঁলোকক দুনাই কোনো চিকিৎসাৰ প্ৰয়োজন নহ’ ল। আনহাতেদি ঔষধবিধৰ কোনো জটিল পাৰ্শ্বক্ৰিয়াও দেখা পোৱা নগ’ল




দস্তাৰলিমাব (Dostarlimab) ঔষধবিধ মাছাচুচেটছৰ টেছাৰো নামৰ কোম্পানীটোৱে নিৰ্মাণ কৰিছিল। ২০১৯ চনত এই কোম্পানীটো গ্লেক্সস্মিথক্লাইন (GlaxoSmithKline)য়ে ক্ৰয় কৰিছিল। দোষ্টাৰলিমবৰ ব্ৰেণ্ড নাম হৈছে Gemparli (জেমপাৰ্লি)। ২০২১ চনত আমেৰিকাত প্ৰথমবাৰৰ বাবে এই ঔষধে অনুমোদন লাভ কৰে। এই ঔষধ এটা মনোক্ল’ নেল এণ্টিব ’ ডি। ইয়াক পৰীক্ষাগাৰত তৈয়াৰ কৰা হৈছে আৰু এই এণ্টিব’ ডিবোৰে এটা নিৰ্দিষ্ট ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ কাম কৰে।

দস্তাৰলিমাব (Dostarlimab) ক বিশেষভাৱে পিডি-১ নামৰ কৰ্কট কোষৰ লগত জড়িত এটা নিৰ্দিষ্ট প্ৰটিনক বাধা দিবলৈ ডিজাইন কৰা হৈছে। শৰীৰত প্ৰবেশ কৰাৰ পিছতে এই এণ্টিব’ ডিবোৰ কৰ্কটকোষত লাগি ধৰে ইয়াৰ ফলত লুকাই থকা কৰ্কট কোষবোৰ আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ দৃষ্টিগোচৰ হয় লাহে লাহে কৰ্কটকোষ বোৰক নিঃশেষ কৰিবৈ সক্ষম হয়। পৰীক্ষাত অন্তৰ্ভুক্ত কৰা সকলো কৰ্কট ৰোগীৰ মলদ্বাৰৰ কৰ্কট ৰোগত আক্ৰান্ত আছিল অৰ্থাৎ তেওঁলোকৰ শৰীৰত বিসংগতিপূৰ্ণ ডিএনএৰ গঠন হৈছিল যাক চিকিৎসাবিজ্ঞানৰ ভাষাত কোৱা হয় মিছমেচ্ছ ৰিপেয়াৰ ডেফিছিয়েন্সি (mismatch repair deficiencies) । ইয়াত নতুন বিসংগতিপূৰ্ণ কোষবোৰ দ্ৰুতগতিত গঠন হ’ বলৈ আৰম্ভ কৰে আৰু শৰীৰে সেইবোৰ ঠিক কৰিবলৈ অক্ষম হয়, যাৰ বাবে ইহঁতে কেন্সাৰৰ ৰূপ লয়। মলদ্বাৰৰ কৰ্কট ৰোগীৰ ১০% ৰোগীৰ

ক্ষেত্রত মিছমেটছ ৰিপেয়াৰ ডেফিছিয়েন্সি (mismatch repair deficiencies) দেখা যায়। উক্ত পৰীক্ষাটোৰ সবিশেষ সৰ্বমুঠ বত্রিছগৰাকী লেখকে প্রস্তুত কৰে আৰু গৱেষণা পত্ৰ হিচাপে দ্য নিউ ইংলেণ্ড জাৰ্নেল অব মেডিচিন (The New England Journal of Medicine) ত প্ৰকাশ পায়। উল্লেখ্য যে পৰীক্ষাটোত ছাইমন আৰু ইভ কলিন ফাউণ্ডেশ্যন (the Simon and Eve Colin Foundation) , গ্লেক্সস্মিথক্লাইন (GlaxoSmithKline) , ষ্টেণ্ড আপ টু কেন্সাৰ (Stand Up to Cancer), ছুইম এক্ৰছ আমেৰিকা (Swim Across America) আৰু নেচনেল ইনষ্টিটিউট অব হেল্থৰ নেচনেল কেন্সাৰ ইনষ্টিটিউট (the National Cancer Institute of the National Institutes of Health) নামৰ অনুষ্ঠানকেইটাই সমৰ্থন আগবঢ়ায়। অৱশ্যে ঔষধবিধৰ মূল্য প্ৰতিটো দ’জত এঘাৰ হাজাৰ আমেৰিকান ডলাৰ অৰ্থাৎ প্ৰায় ৮.৫৫ লাখ হ’ ব পাৰে বুলি অনুমান কৰা হৈছে।



বিশ্ব স্বাস্থ্য সংস্থাৰ মতে কৰ্কট ৰোগ বিশ্বজুৰি মৃত্যুৰ এটা প্ৰধান কাৰণ হিচাপে বিবেচিত হৈ আহিছে। ২০২০ চনত প্ৰায় এক কোটি লোকৰ এই ৰোগৰ বাবেই মৃত্যু হৈছে, অৰ্থাৎ প্ৰতি ছয়জনৰ ভিতৰত প্ৰায় এজনৰ মৃত্যু হৈছে। কেন্সাৰ ৰোগসমূহৰ ভিতৰত স্তন কেন্সাৰ, হাঁওফাঁওৰ কেন্সাৰ, কলন কেন্সাৰ, মলদ্বাৰৰ কেন্সাৰ, প্ৰষ্টেট কেন্সাৰত আক্ৰান্ত হোৱা লোকৰ সংখ্যাই সৰ্বাধিক। আনহাতে প্ৰতিবছৰে প্ৰায় চাৰি মিলিয়ন শিশু এই ভয়াবহ কেন্সাৰ ৰোগত আক্ৰান্ত হয়। এনেক্ষেত্ৰত যদিও Dostarlimab (দস্তাৰলিমাব) ৰ বহুল পৰীক্ষণ লৈ এতিয়াও বহু বাকী তথাপিও ই যে চিকিৎসাবিজ্ঞানৰ চমৎকাৰীতা তাক নুই কৰিব নোৱাৰি। এই ঔষধৰ প্ৰতিটো পৰীক্ষণ সফল হওক বুলি সমগ্ৰ বিশ্বৰ সচেতন সমাজৰ লগতে আমিও প্ৰবল আশাবাদী।

References:


1. https://presswire18.com/dosterlimab-is-a-magic-drug-to-eliminate-cancer-how-it-works-what-is-the-price-know-everything/
2. https://www.thehindu.com/sci-tech/health/medical-trial-shows-rare-result-as-cancer-vanishes-in-all-patients/article65504496.ece
3. https://www.livemint.com/news/world/cancer-cure-finally-here-new-drug-dostarlimab-cures-all-patients-first-time-in-history-11654659187360.html
4. https://indianexpress.com/article/explained/explained-drug-trial-cured-rectal-cancer-patients-india-7959134/
5. https://www.hindustantimes.com/lifestyle/health/small-trial-sees-potential-for-new-rectal-cancer-drug-too-early-to-call-it-cancer-cure-101654937383957.html
6. https://www.who.int/news-room/fact-sheets/detail/cancer#:~:text=The%20problem-,Cancer%20is%20a%20leading%20cause%20of%20death%20worldwide%2C%20accounting%20for,lung%20(2.21%20million%20cases)%3B


********************